**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 19-05-2025 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ বাৰ্তা বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰত বিলাবলৈ ভাৰতৰ সাংসদৰ সৰ্বদলীয় এটা দল বিশ্বৰ কেইবাখনো দেশলৈ যাবলৈ সাজু হৈছে। ৫১ জনীয়া দলটোক কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৭ টা গোটত ভাগ কৰি প্ৰতিটো গোট কোন কোন দেশলৈ যাব, তাৰ তালিকা প্ৰকাশ কৰিছে। সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰা অনুসৰি ৭ টা দলক – বিজেপি সাংসদ বৈজয়ন্ত পাণ্ডা, ৰবিশংকৰ প্ৰসাদ, জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝা, শিৱসেনাৰ সাংসদ শ্ৰীকান্ত একনাথ সিন্দে, কংগ্ৰেছ সাংসদ শশী থাৰুৰ, ডি এম কেৰ সাংসদ কানিমুঝি আৰু এন চি পি শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া ছুলেই নেতৃত্ব দিব। ৭টা গোটৰ প্ৰতিনিধি দলটোত অসমৰ দুগৰাকীকৈ সাংসদ অন্তৰ্ভুক্ত হৈছে। কংগ্ৰেছ সাংসদ শশী থাৰুৰে নেতৃত্ব দিবলগীয়া দলটোত অসমৰ সাংসদ ভুৱনেশ্বৰ কলিতা অন্তৰ্ভুক্ত হৈছে। শশী থাৰুৰৰ নেতৃত্বত ৯ জনীয়া এই গোটটোৱে আমেৰিকা, পানামা, গুয়ানা, ব্ৰাজিল আৰু কলম্বিয়া ভ্ৰমণ কৰিব। একেদৰে জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝাই নেতৃত্ব দিবলগীয়া ৯জনীয়া সাংসদৰ প্ৰতিনিধিৰ দলটোত অসমৰ বিজেপি সাংসদ প্ৰদান বৰুৱা অন্তৰ্ভুক্ত হৈছে। এই গোটটোৱে ইণ্ডোনেছিয়া, মালয়েছিয়া, কোৰিয়া গণৰাজ্য, জাপান আৰু ছিংগাপুৰ ভ্ৰমণ কৰিব। সৰ্বদলীয় দলৰ সাংসদেৰে গঠিত ৭টা গোটে অহা ৩ জুনত যাত্ৰা আৰম্ভ কৰিব।

০০০০০০০

অসম চৰকাৰৰ পূৰ্বে অনুষ্ঠিত তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদৰ লিখিত পৰীক্ষাৰ ফলাফলৰ পাছত এই পদসমূহত নিযুক্তিৰ বাবে ব্যৱহাৰিক আৰু মৌখিক পৰীক্ষা অহা ১৫ জুনৰ পৰা আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত কালি এই কথা প্ৰকাশ কৰিছে। পৰীক্ষাৰ এই গোটেই প্ৰক্ৰিয়াটো এমাহৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে তৃতীয়বৰ্গৰ পদৰ অন্তৰ্ভুক্ত চালক, ষ্টেনোগ্ৰাফাৰ আৰু ইলেক্‌ট্ৰিচিয়ানৰ ব্যৱহাৰিক পৰীক্ষাৰ লগতে চতুৰ্থবৰ্গৰ পদৰ বাবে লিখিত পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীৰো মৌখিক আৰু ব্যৱহাৰিক পৰীক্ষা একেদিনাই অনুষ্ঠিত হ'ব। ইয়াৰ বাবে চৰকাৰে প্ৰাৰ্থীসকলক আনুষ্ঠানিকভাৱে সকলো তথ্য অৱগত কৰা হ'ব।

০০০০০০০

মহাপুৰুষ শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱৰ ৪৭৩ সংখ্যক আৱিৰ্ভাব তিথি আৰু শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱ সেৱা সমিতি অসমৰ পঞ্চম দ্বিবাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ বৈৰাগী মঠত থকা শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱ কনিষ্ঠ মহাবিদ্যালয়ত এই অধিৱেশন অনুষ্ঠিত হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, গোপালদেৱৰ পৰৱৰ্তী ধৰ্ম সংস্কাৰক, সাহিত্যিক, গীতিকাৰ তথা ময়ামৰা ধৰ্মৰ প্ৰৱৰ্তন শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱে প্ৰায় ৫০০ বছৰ পূৰ্বে মানৱীয় আদৰ্শ, অদ্বৈতবাদ, সাম্যবাদ স্থাপনৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছিল।

০০০০০০০

বিশিষ্ট শিক্ষাবিদ তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড০ আদিল উল য়াছিনৰ **মধুময় জীৱনৰ সুবাস** নামৰ এখন আত্মজীৱনী গ্ৰন্থ কালি যোৰহাটৰ চেণ্ট্ৰেল ক্লাবত উন্মোচন কৰা হয়। যোৰহাট

মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ দেৱব্ৰত শৰ্মাই গ্ৰন্থখন উন্মোচন কৰি কয়, যে **এই গ্ৰন্থখনে আমাক এটা পথৰ নিৰ্দেশনা দিছে। সেই নিৰ্দেশনা হৈছে সুস্থ চিন্তা-চৰ্চা, সকলো জনগোষ্ঠীক একগোট কৰা আৰু সাম্প্ৰদায়িকতাৰ বিপক্ষে থিয় দিয়া।** যোৰহাটৰ বহু পুৰণি কথা সামৰি লোৱা এই আত্মজীৱনী গ্ৰন্থ উন্মোচনী সভাখনত কেইবাজনো বিশিষ্ট লোক তথা স্থানীয় ৰাইজ উপস্থিত আছিল।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টি নাহৰকটীয়া মণ্ডলৰ অন্তৰ্গত আমগুৰি, বৰবাম, ধাদুমীয়া, বালিমৰা আৰু নিগাম পঞ্চায়তৰ নিৰ্বাচনত বিজয়ী জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু ৱাৰ্ড সদস্যসকলক কালি সম্বৰ্ধনা জনোৱাৰ লগতে মত বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়। বিধায়ক তৰংগ গগৈয়ে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত পঞ্চায়ত প্ৰতিনিধিসকলে অনাগত দিনসমূহত ৰাইজৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত কৰিবলগীয়া কামসমূহৰ বিষয়ে আলোচনা কৰা হয়। সেৱাৰ মনোভাৱেৰে নিজক সমৰ্পণ কৰি কাম কৰাৰ বাবে বিধায়গৰাকীয়ে সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০০০

ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই যোৰহাটৰ তিতাবৰত নিৰ্মাণ হৈ থকা অসম ৰেচম মহাবিদ্যালয়খন অহা বৰ্ষৰ জানুৱাৰীত উদ্বোধন কৰা হ'ব বুলি ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে কালি নিৰ্মাণৰত মহাবিদ্যালয়খন পৰিদৰ্শন কৰি বিভাগীয় বিষয়াসকলক শীঘ্ৰে কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ২০২৬-ৰ বিধানসভা নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱাৰ পূৰ্বেই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহাবিদ্যালয়খন উদ্বোধন কৰিব।

০০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে। এইপৰ্যন্ত অসম আৰক্ষীয়ে দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত বিভিন্ন জিলাৰ পৰা ৬৮ জন লোকক গ্ৰেপ্তাৰ কৰিছে। শেহতীয়াকৈ দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত শ্ৰীভূমি আৰক্ষীয়ে জিলাখনৰ পৰা আব্দুল হুছেইন আৰু ৰছিদ আহমেদ নামৰ দুজন লোকক গ্ৰেপ্তাৰ কৰে। একেদৰে বৰপেটা আৰক্ষীয়ে আজাদ হুছেইন ইমৰান নামৰ আন এজন লোকক গ্ৰেপ্তাৰ কৰে। সামাজিক মাধ্যমত পাকিস্তানৰ সমৰ্থনত বক্তব্য আগবঢ়োৱাৰ অভিযোগত কালি গোসাইগাঁও মহকুমাৰ কুৰ্ছাকাটি গাঁৱৰ ৰূপচান আলী নামৰ এজন লোকক আটক কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰিছে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টি গোচৰ হোৱাৰ মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়। দেশ বিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন কৰা নহ'ব বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ কাজিখোৱা বাইপাছত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত এগৰাকী মহিলাৰ ঘটনাস্থলীতে মৃত্যু হয়। অচিনাক্ত এখন বাহনে মহিলা পথচাৰীগৰাকীক মহটিয়াই পলায়ন কৰে। মৃত মহিলাগৰাকীৰ পৰিচয় এতিয়াও উদ্ধাৰ কৰিব পৰা হোৱা নাই।

০০০০০০০

**সমাপ্ত**